জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২/২০২১

# ৰাজ্যৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## ক'ভিডৰ দ্ৰুত সংক্ৰমণ হোৱা জিলাসমূহ তাৎক্ষণিকভাৱে ভ্ৰমণ কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১১ মে' ঃ** ৰাজ্যৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত জ্যেষ্ঠ মন্ত্ৰী আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

উক্ত বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী কেশৱ মহন্ত আৰু স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলক ক'ভিডৰ ব্যাপক সংক্ৰমণ হোৱা জিলাসমূহ ভ্ৰমণ কৰি ক'ভিড চিকিৎসাৰ আন্তঃগাঁথনিকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থাৱলীৰ বুজ লোৱাৰ বাবে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ক'ভিডৰ টীকা প্ৰদান কৰা কেন্দ্ৰসমূহত যাতে সামাজিক ব্যৱধান, ক'ভিড আচৰণ বিধি সম্পূৰ্ণৰূপে মানি চলা হয় সেয়া নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিডৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে স্বাস্থ্য, আৰক্ষী, দুৰ্যোগ ব্যৱস্থাপনা বিভাগক উমৈহতীয়াভাৱে এটা 'টীম'ৰ মানসিকতাৰে কাম কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিড আচৰণ বিধি যাতে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণে সঠিকভাৱে মানি চলে সেই সম্পৰ্কে উপযুক্ত জনসচেতনতা সৃষ্টি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

বৈঠকত স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলে ৰাজ্যখনৰ ক'ভিডৰ শেহতীয়া সংক্ৰমণ, স্বাস্থ্য বিভাগে এই ক্ষেত্ৰত গ্ৰহণ কৰা যাৱতীয় পদক্ষেপ, টীকাকৰণ ইত্যাদিৰ সবিশেষ মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ বৈঠকত মন্ত্ৰী কেশৱ মহন্ত আৰু যোগেন মহন, মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, মহানগৰ আৰক্ষী আয়ুক্ত মুন্নাপ্ৰসাদ গুপ্তা, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / স্বাক্ষৰ / বঃভাঃ**
**১১/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in